যায়।

**আধুনিক কবিতাৰ ভাষা ঃ**

আধুনিক কবিসকলে কবিতাক জনসাধাৰণৰ কাষ চপাই নিবলৈ সততে যত্ন কৰিছিল। সেইবাবেই ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত তেওঁলোকে সততে সাৱধানতা অৱলম্বন কৰাটো চকুত পৰে। সেইবাবেই কবিসকলে বাস্তৱ জীৱনৰ সৈতে অঙ্গাঙ্গী সম্পৰ্ক থকা বিষয়বস্তু কাব্য ৰচনাৰ বাবে নিৰ্বাচন কৰা দেখা যায়।

যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন সূচিত হয়। এনে পৰিৱৰ্তনৰ বাবেই যুগৰ অনুকূলে কবিতাৰ বিষয়বস্তুও সালসলনি হয়। বিশ্বায়নৰ ফলস্বৰূপে আমাৰ সমাজৰ দ্ৰুত পৰিৱৰ্তন হৈছে আৰু ভোগবাদী মানসিকতাৰ লগে লগে অন্যান্য কিছুমান আৰ্থ-সামাজিক কাৰকে মানুহৰ জীৱন সম্পূৰ্ণৰূপে যান্ত্ৰিক কৰি তুলিছে।

উপযুক্ত শব্দৰ সুললিত প্ৰয়োগে কবিতাক আস্বাদনীয় কৰি তোলে। সেইবাবেই কবিসকলে শব্দব্যৱহাৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে হীৰেণ ভট্টাচাৰ্যৰ এটা কবিতাৰ উল্লেখ কৰিব পাৰি—

'এই কবিৰ আন একো নাই
এটাই মাথো কামিজ
তাৰো ছিগো ছিগো চিলাই।
প্ৰেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায়।'

গতিকে সু-পৰিকল্পিত শব্দৰ সুললিত আৰু যথাযোগ্য প্ৰয়োগে কবিতাক পাঠকৰ অধিক কাষ চপাই নিবলৈ সক্ষম হয়। সেইবাবেই কবিসকলে শব্দ প্ৰয়োগৰ ক্ষেত্ৰত মিতব্যয়ী হোৱা উচিত, যাতে অপ্ৰয়োজনীয় শব্দৰ প্ৰয়োগে কবিতাৰ ৰসাস্বাদনত বাধাৰ সৃষ্টি নকৰে। কবিতা চুটি হ'লেও উপযুক্ত ভাব আৰু ভাষাৰ যোগেদি তাক ৰসপূৰ্ণ কৰি তুলিব পাৰি। অতনু ভট্টাচাৰ্যৰ কবিতাত শব্দ প্ৰয়োগৰ এনে মিতব্যয়ী-শৃঙ্খলিত ৰূপ চকুত পৰে। তেওঁৰ—

'নদীক আৰু কোনে পায়।
য'লৈক মন যায়, তলৈকে যায়
ঘৰত চাগৈ তাইৰ আই-বোপাই নাই।' ইত্যাদি।

প্ৰায়বোৰ সাৰ্থক কবিৰ কবিতাতেই এনে নিটোল শব্দ প্ৰয়োগ আৰু কবিতা নিৰ্মাণৰ দক্ষতা চকুত পৰে। শব্দৰ অন্তঃনিৰ্হিত স্পন্দন শক্তিক জাগ্ৰত কৰিবলৈ হ'লে কবিয়ে তেওঁৰ আবেগ-অনুভূতি আৰু কল্পনাক নিৰ্দিষ্ট আৰু নিটোল শব্দৰ মাজেদি শব্দস্পন্দনৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ব লাগিব আৰু সেই স্পন্দনে পাঠকৰ হৃদয়ত অনুৰূপ অনুভূতিৰ সঞ্চাৰ কৰিবলৈ সক্ষম হ'ব লাগিব। কাব্যপাঠৰ যোগেদি লাভ কৰা আনন্দমধুৰ অনুভৱৰ যোগেদিহে সম্ভৱ। কবিতাৰ আঙ্গিক, বিষয়বস্তু আৰু প্ৰকাশভংগী যেতিয়া উপযুক্ত ভাষাৰ মাধ্যমত ৰসপূৰ্ণ হৈ উঠে, তেতিয়াই পাঠকৰ হৃদয়ত ই অনুৰূপ ঝংকাৰৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। উদাহৰণস্বৰূপে হেম বৰুৱাৰ 'মমতাৰ চিঠি'ৰ কথা উল্লেখ কৰিব পাৰি ঃ

মৰমৰ,
এয়া মম এডাল জ্বলাই লৈছোঁ।
আজি বহুত দিনৰ মূৰত তোমালৈ চিঠি লিখো বুলি।
বাহিৰৰ উৰুঙা বতাহজাকে মমডাল আহি কোবাইছেহি...

ইত্যাদি।

এনেধৰণৰ কাব্যিক কথনশৈলীয়ে সহজেই পাঠকৰ সৈতে মানসিক সংযোগ স্থাপন কৰিবলৈ সক্ষম হয়। আধুনিক কবিতাত ভাব-ভাষাৰ সৈতে খাপ খোৱাকৈ উপযুক্ত আঙ্গিক আৰু কলা-কৌশলৰ প্ৰয়োগ কৰিলে নিশ্চিতভাৱেই ই পাঠকৰ হৃদয় জয় কৰিবলৈ সক্ষম হ'ব।

আধুনিক যুগত বিশেষকৈ যুদ্ধোত্তৰ যুগত অসমীয়া সাহিত্যৰ মাজেদি প্ৰকাশ হোৱা অসমীয়া ভাষাটোৱে সমসাময়িক সময়ৰ যুগমানসিকতাৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি শব্দ প্ৰয়োগৰ ক্ষেত্ৰত, বিশেষকৈ সংযুক্ত শব্দৰ প্ৰয়োগৰ ক্ষেত্ৰত যথেষ্ট নতুনত্বৰ প্ৰয়াস কৰা দেখা গ'ল। উদাহৰণ স্বৰূপে— 'অশনি-গৰ্ভ, আঙুৰ-ওঁঠ, আপেল গাল, কলি-শগুণ, কেঁচা-পোহৰ, কেঁচা-গাভৰু, কুৰি ফাগুণ, কুঁৱলী-সনা, কামনা ৰঙীন, জুই-পোহৰ, দেহ-গঙ্গা, তুহিন-স্পৰ্শ, ধোঁৱা-ৰাতিপুৱা, ফুটছাই-বৰণ, বিহু-পথাৰ, মৰম-মুকুতা, ৰ'দালি-উম, সময়-দৈত্য, সৰ্প-শীতল, হিয়া-হালধি ইত্যাদিৰ উল্লেখ কৰিব পাৰি। হেম বৰুৱা, নৱকান্ত বৰুৱা, নীলমণি ফুকন, হোমেন বৰগোহাঞি প্ৰভৃতি কবিৰ কবিতাত এনে শব্দ সাধনাৰ প্ৰয়াস সততে চকুত পৰে। উদাহৰণ স্বৰূপে তলত দুটিমান উদাহৰণ দাঙি ধৰা হ'লঃ

'আমাৰ চকুত আশাৰ নেজাল তৰা
এই জ্বলে। এই মৰে
বালিমাহীৰ ময়ুৰ চালিত, ৰুদ্ধ পৰাণত
সাত সাগৰৰ বাণ নামে।
মৰি-কলঙত বাৰিষাৰ ঢল।
পাৰত বিহু-মেটেকাৰ পোহাৰ বহিছে
জনতাৰ হেঁচা-ঠেলা।
তোমাৰ লাৱনী দুবাহুৰ
একোটা মেট মৰা ডাঙৰিৰ বল
আমাৰ বাহুত
হেজাৰ যুগৰ শৌৰ্য-বীৰ্য।' (জাৰৰ দিনৰ সপোন)

'মোৰ চেতনাৰ এই অন্ধ বিশাল নদীৰ
ঘাটে ঘাটে
ফুল হৈ ফুলি ৰোৱা তেজীমলা

তোমাৰ সন্ধ্যাৰ এই বন্ধ্যা বাসনাৰ
নিৰ্মেঘ আকুতি।' *(ৰাতি)*

'সিদিনা আছিল কাতিৰ কুঁৱলীসনা এটা কোমল পুৱা
পদূলিত তলসৰা শেৱালিবোৰ উপচি আছিল।
আৰু সন্ধিয়া মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা,
আকাশৰ মেঘৰ মোহনাত হালধীয়া জোনটো
নাওখন হৈ আমাক যে
ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।' *(মমতাৰ চিঠি)*

'হেৰা শকুন্তলা, তোমাৰ চকুৰ শেৱালি-পাহিত
দুষ্মন্তৰ চুমাৰ চেকা। কোৰিয়াত জৰাসন্ধৰ কঙ্কাল।
এচিয়াৰ আকাশ আগুৰি শগুণৰ জাক।' *(পোহৰতকৈ এন্ধাৰ ভাল)*

'শকুন্তলা, আমাৰ পথাৰ ৰমক-জমক। ভৰ দুপৰীয়া ভদাইৰ
আগ-চোতালত দোৰপাত থৰক্-বৰক্
মাকো সৰি সৰি পৰে।' *(যাত্ৰাৰ শেষ নাই)*

'হাড়-চেঁচা পৰা কুঁৱলী আৰু
কাল-শগুণৰ পাখিৰ তলিৰ উম, ইয়াৰেই আমাৰ
এশ-এবুৰি স্বপ্নৰ কামিহাড় ৰচনা হয়। আজিৰ মহঙা
দিনত এটা সপোনৰ দাম কিমান? *(জাৰৰ দিনৰ সপোন)*

গতিকে দেখা যায় যে আধুনিক কবিসকলে কবিতাক জনতাৰ কাষ চপাই নিবৰ কাৰণে জনজীৱনৰ অভিজ্ঞতাৰ সৈতে সম্পৰ্কিত আৰু দৈনন্দিন জীৱনত ব্যৱহৃত শব্দাৱলীৰ প্ৰয়োগত গুৰুত্ব প্ৰদান কৰিছিল। হেম বৰুৱা, নৱকান্ত বৰুৱা প্ৰভৃতি কবিসকলৰ যোগেদি আৰম্ভ হোৱা এই ভাষিক-কৌশল ব্যৱহাৰ কৰি কবিসকল নিজেই আনন্দিত হোৱাৰ লগে লগে পাঠকসকলো তেনে কবিতাৰ দ্বাৰা অভিভূত হৈছিল। অসমীয়া ভাষাৰ

চিৰপৰিচিত শব্দাৱলীক কবিতাত প্ৰয়োগ কৰি কবিতাক উৎকৃষ্ট শিল্পকৰ্মলৈ উন্নীত কৰাৰ ক্ষেত্ৰত হীৰেণ ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ, কেশৱ মহন্ত, আনিছ উজ জামান, ৰবীন্দ্ৰ বৰা, লুটফা হানুম চেলিমা বেগম, অৰ্চনা পূজাৰী, উদয় কুমাৰ শৰ্মা, জীৱন নৰহ, প্ৰভৃতি কবিসকলৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

অসমীয়া ভাষাৰ কলিকা শক্তিটোৰ প্ৰতি স্বতঃস্ফূৰ্তভাৱে মনোনিবেশ কৰি কাব্য ৰচনাত প্ৰবৃত্ত হোৱাৰ কাৰণে এইসকল কবিৰ কবিতাই পাঠকৰ হৃদয়ৰ অনুভূতিত সঞ্চাৰ কৰিবলৈ সক্ষম হৈছে। কবিসকলে যি ভাষাতেই কবিতা ৰচনা নকৰক, তেওঁলোকে উক্ত ভাষাটোৰ গঠন-প্ৰণালী, সাংস্কৃতিক প্ৰসঙ্গ, ফকৰা-যোজনা, পটন্তৰ ইত্যাদি ভালদৰে জানি লোৱা প্ৰয়োজন। ভাষা এটাৰ অন্তৰ্নিহিত কলিকা শক্তিটোৰ প্ৰতি সচেতন নোহোৱাকৈ সাহিত্য সৃষ্টি কৰিবলৈ যোৱাটো সম্পূৰ্ণৰূপে ব্যৰ্থ প্ৰয়াস। সৃষ্টিশীল সাহিত্যৰ সৈতে জড়িত ব্যক্তিসকলে তেওঁলোকৰ সৃষ্টি-উন্মেষী মনটোক চিন্তন আৰু মননৰ যোগেদি পৰিপক্ক কৰি তোলাৰ লগে লগে সমসাময়িক সাহিত্যৰ ধাৰাসমূহৰ সৈতেও পৰিচিত হ'ব লাগিব।

যুগে যুগে সাহিত্যৰ বিষয়বস্তু আৰু প্ৰকাশভংগীত পৰিৱৰ্তন সূচিত হয় আৰু এই পৰিৱৰ্তনত দেশৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক চিন্তা আৰু আদৰ্শয়ো কম-বেছি পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰে। কিয়নো, সাহিত্য হৈছে সমাজৰ দাপোণ আৰু সমাজক বাদ দি সাহিত্যৰ অস্তিত্ব বৰ্তি থাকিব নোৱাৰে। সেইবাবেই যুগে যুগে পৰিৱৰ্তিত সামাজিক মূল্যবোধ, ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰভাৱে সাহিত্যক প্ৰভাৱান্বিত কৰি আহিছে। এইক্ষেত্ৰত সাহিত্যিকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।